# ভাৰতৰ উচ্চতম ন্যায়ালয়

আবেদনকাৰীঃ

ৰামেশ্বৰ দাস গুপ্তা

বনাম

উত্তৰদাতা

ইউ. পি. চৰকাৰ আৰু অন্যান্য।

বিচাৰৰ তাৰিখঃ ২৭/০৮/১৯৯৬

বিচাৰপীঠ

ৰামস্বামী, কে।

বিচাৰপীঠ

ৰামস্বামী, কে।

হান্সাৰিয়া বি. এল. (জে)

মজমুদাৰ এছ. বি. (জে)

উদ্ধৃতি

জে টি ১৯৯৬ (৭) ৬৫৭

আইনঃ

শীৰ্ষটোকা

বিচাৰঃ

আগষ্ট মাহৰ ২৭ তাৰিখ ১৯৯৬

বিচাৰপীঠত উপস্থিত আছেঃ

মাননীয় ন্যায়াধীশ কে.ৰামস্বামী

মাননীয় ন্যায়াধীশ বি.এল.হানছাৰিয়া

মাননীয় ন্যায়াধীশ এছ বি মাজমুদাৰ

আবেদনকাৰীৰ হৈ ওকালতি কৰিছে বি ডি আগৰৱাল, জ্যেষ্ঠ অধিবক্তা আৰু তেওঁক সহযোগ কৰিছে বিনয় গাৰ্গে।

আদেশ

আদালতে নিম্নলিখিত আদেশ প্ৰদান কৰে।

ৰামেশ্বৰ দাস গুপ্তা

বনাম

উত্তৰ প্ৰদেশ চৰকাৰ আৰু অন্যান্য

আদেশ

এলাহাবাদ উচ্চ ন্যায়ালয়ৰ এজনীয়া বিচাৰপীঠে ১৯৯৬ চনৰ ২৪ এপ্ৰিলৰ দেৱানী গোচৰত লোৱা সিদ্ধান্তৰ সংক্ৰান্তত এই আবেদন দাখিল কৰা হৈছে। আবেদনকাৰীক চাকৰিৰ পৰা বৰ্খাস্ত কৰাৰ সিদ্ধান্ত বাতিল কৰিছিল লক্ষ্ণৌত থকা উত্তৰ প্ৰদেশ অসামৰিক সেৱা ন্যায়াধিকৰণে। ন্যায়াধিকৰণে আবেদনকাৰীৰ সপক্ষে তলত দিয়া ধৰণে ৰায় দিয়ে।

> ‘আবেদন আংশিকভাৱে মঞ্জুৰ কৰা হৈছে। উত্তৰদাতাসকলক (O.P. নং ১ আৰু ২) গ্ৰুপ ১ পদৰ বাবে আবেদনকাৰীৰ নিশ্চিতকৰণ কৰাৰ লগতে পৰৱৰ্তী সময়ত তেওঁক ক্ৰমে দ্বিতীয় আৰু প্ৰথম শ্ৰেণীৰ পদলৈ পদোন্নতিৰ বাবে বিবেচনা কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। এই বিবেচনা

> আবেদনকাৰীৰ কনিষ্ঠ শ্ৰীৰাম নিৱাসক এনে পদত পদোন্নতি দিয়া তাৰিখৰ পৰা বিবেচনা কৰিব লাগিব আৰু সেই অনুসৰি আবেদনকাৰীয়ে পাবলগীয়া জ্যেষ্ঠতা, দৰমহা, পেঞ্চন আদিকে ধৰি আনুষংগিক সকলো সুবিধা পাব লাগিব।'

ইয়াক কাৰ্যকৰী কৰিবলৈ নিয়ম অনুসৰি আবেদনকাৰীয়ে ন্যায়াধিকৰণৰ নিয়মৰ দফা [৫]ৰ সৈতে সংলগ্নিত দেৱানী প্ৰক্ৰিয়া সংহিতাৰ (চিপিচি) আদেশ ২১ ৰ ১ নং বিধিৰ অধীনত প্ৰমাণ পত্ৰত কাৰ্যকৰী আবেদন দাখিল কৰে, যাতে আদেশ অনুসৰি ধন আদায় কৰিব পৰা যায়। কাৰ্যকৰী কৰা আদালতে ১৯৯৫ চনৰ ১২ ডিচেম্বৰ তাৰিখে দিয়া আদেশত বছৰি ১২৪ টকাৰ সুদৰ হাৰত মুঠ ১,৯৭,৫৭৫.৩২ টকা প্ৰদান কৰাৰ বাবে ৰায় প্ৰদান কৰে য'ত দৰমহা, গ্ৰেচুইটি, আৰু পেঞ্চন অন্তৰ্ভুক্ত আছিল। কাৰ্যকৰী হোৱাৰ তাৰিখৰ পৰা আদেশৰ তাৰিখলৈকে মুঠৰ ধনৰ পৰিমাণ হৈছিলগৈ ১,৪৬,২০৫/- টকা।

উত্তৰদাতাসকলে মাত্ৰ এটা দিশৰ বৈধতাক লৈ প্ৰত্যাহ্বান জনাইছিল আৰু সেইটো আছিল ১২% সুত দিয়াৰ নিৰ্দেশনা। তেওঁলোকৰ পুনৰীক্ষণ আবেদনত উচ্চ ন্যায়ালয়ে নিৰ্ধাৰণ কৰিছিল যে কাৰ্যকৰী আদালতৰ এই ডিক্ৰীটোৰ ওপৰত সম্প্ৰসাৰণ কৰাৰ কৰ্তৃত্ব নাই। যিহেতু ন্যায়াধিকৰণৰ ডিক্ৰীত সুত পৰিশোধ কৰাটো অন্তৰ্ভুক্ত কৰা হোৱা নাছিল, সেয়েহে সুত আদায় দিয়াৰ আদেশ আদালতৰ ক্ষেত্ৰাধিকাৰৰ বাহিৰত বুলি ধৰা হৈছিল। এইটোৱেই হৈছে বিশেষ অনুমতি আবেদনৰ ভিত্তি।

আবেদনকাৰীয়ে যুক্তি আগবঢ়ায় যে যদিও কাৰ্যকৰী আদালতে সাধাৰণতে সুত প্ৰদান কৰিব নোৱাৰে, আবেদনকাৰীৰ সঠিক দাবীক অস্বীকাৰ কৰাত আৰু অপ্ৰয়োজনীয়ভাৱে গোচৰটো দীঘলীয়া কৰাৰ ক্ষেত্ৰত ৰায়দানকাৰীয়ে গ্ৰহণ কৰা অযুক্তিকৰ স্থিতিৰ প্ৰতি লক্ষ্য ৰাখি কাৰ্যকৰী আদালতক ডিক্ৰীটো কাৰ্যকৰী কৰি সুদ প্ৰদান কৰাৰ কৰ্তৃত্ব থকা বুলি গণ্য কৰা উচিত। ইয়াৰ উপৰিও আবেদনকাৰীয়ে যুক্তি প্ৰদৰ্শন কৰিছে যে উচ্চ ন্যায়ালয়ৰ সংশোধনী ক্ষমতা কেৱল ন্যায় প্ৰদানক প্ৰভাৱিত কৰা ভুল শুধৰণি কৰিবলৈহে ব্যৱহাৰ কৰিব লাগে। এই গোচৰৰ ক্ষেত্ৰত, কাৰ্যকৰী আদালতে পৰিস্থিতি বিবেচনা কৰি আবেদনকাৰীক ন্যায় প্ৰদান কৰিছে। গতিকে উচ্চ ন্যায়ালয়ে ৰায়টোৰ

বিপক্ষে ৰায় দিয়াটো উচিত হোৱা নাই। আমি তেওঁৰ কোনো যুক্তিতে দৃঢ়তা দেখিবলৈ পোৱা নাই।

আইনী নীতিটো দৃঢ়ভাৱে প্ৰতিষ্ঠিত যে কাৰ্যকৰী আদালতে কাৰ্যকৰী কৰা আদেশ বা ডিক্ৰীৰ পৰিসৰৰ বাহিৰত হস্তক্ষেপ কৰিব নোৱাৰে। ই কেৱল দেৱানী প্ৰক্ৰিয়া সংহিতাৰ (চিপিচি) ২১ নং আদেশত উল্লেখ কৰা পদ্ধতি অনুসৰি আদেশ কাৰ্যকৰী কৰালৈকে থকা পৰিসৰৰ ভিতৰতহে ক্ষেত্ৰাধিকাৰ লাভ কৰে। ইয়াক এটা আৰ্থিক দাবী বুলি বিবেচনা কৰিলে, চাকৰিৰ আইন অনুসৰি পদোন্নতিমূলক সুবিধাসমূহৰ অংশ হিচাপে দৰমহা, গ্ৰেচুইটি, আৰু পেঞ্চনৰ বকেয়া গণনা কৰাটো বাঞ্ছনীয়। এই গণনা সম্পূৰ্ণ হ'লে আদালতে ডিক্ৰীধাৰীৰ প্ৰাপ্য নিৰ্ধাৰণ কৰিছে ১,৯৭,০০০/- টকা আৰু ব্যতিক্ৰম হিচাপে, প্ৰশ্ন উত্থাপন হয় যে কাৰ্যকৰী আদালতে ইয়াৰ পৰিসৰৰ বাহিৰলৈ গৈ সুত প্ৰদান পৰিব পাৰে নেকি যিহেতু ধন পৰিশোধ কৰাত পলম হোৱা বা কাৰ্যকৰীকৰণৰ সময়ত অযুক্তিকৰ আচৰণৰ ভিত্তিত সুদ প্ৰদান কৰাটো ডিক্ৰীৰ অংশ নাছিল।

আমাৰ দৃষ্টিত, কাৰ্য্যকৰী আদালতে ইয়াৰ ক্ষেত্ৰাধিকাৰ অতিক্ৰম কৰিছে আৰু আদেশটো ক্ষেত্ৰাধিকাৰ নথকাকৈয়ে প্ৰদান কৰা হৈছে। গতিকে এই আদেশৰ কোনো বৈধতা নাই। এইটো সঁচা যে উচ্চ ন্যায়ালয়ে সাধাৰণতে চি. পি. চি.-ৰ ধাৰা ১১৫ৰ অধীনত ইয়াৰ পুনৰীক্ষণমূলক ক্ষেত্ৰাধিকাৰ ব্যৱহাৰ কৰে কিন্তু কাৰ্য্যকৰী আদালতে ইয়াৰ ক্ষেত্ৰাধিকাৰ অতিক্ৰম কৰিছে বুলি চকুত পৰিলে ইয়াক সংশোধন কৰাটো উচ্চ ন্যায়ালয়ৰ কৰ্তব্য। সেয়েহে, উচ্চ ন্যায়ালয়ে সুদ পৰিশোধৰ বাবে দিয়া আদেশত হস্তক্ষেপ কৰা আৰু বাতিল কৰাৰ বাবে দিয়া আদেশত আমাৰ কোনো অবৈধতা দৃষ্টিগোচৰ হোৱা নাই।

সেয়ে, এই বিশেষ অনুমতি আবেদনখন নাকচ কৰা হয়। আবেদনকাৰীয়ে পাবলগীয়া আৰু আবেদনকাৰীক পৰিশোধ কৰিবলগীয়া পৰিমাণৰ পাৰ্থক্য যিয়েই নহওঁক, প্ৰতিবাদীৰ কৰ্তব্য হ'ল এই আদেশ প্ৰাপ্ত হোৱাৰ তাৰিখৰ পৰা তিনি মাহৰ ভিতৰত যিমান পাৰি সোনকালে উক্ত পৰিমাণ পৰিশোধ কৰা। আবেদনকাৰীক এই আদেশটো প্ৰতিবাদীক জনাবলৈ আদেশ দিয়া হ'ল।

আবেদন খাৰিজ কৰা হ'ল।

অনুবাদঃ দিতিমণি গগৈ

স্পেচিয়েল অফিচাৰ, অনুবাদ শাখা

*Disclaimer- The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation.*

*"স্থানীয় ভাষা লৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে । ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰী কৰণ আৰু ৰূপায়ণৰ ক্ষে ত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বুলি বিবেচিত হ'ব।"*